# ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম

কাহিলিপাৰা, গুৱাহাটী-৭৮১০১৯

মাহভিত্তিক শৈক্ষিক দিনপঞ্জী

## নৱেম্বৰ ২০২০

| সোম | মঙ্গল | বুধ | বৃহস্পতি | শুক্ৰ | শনি | ৰবি |
|---|---|---|---|---|---|---|
| ৩০ বন্ধ দিন (গুৰু নানকৰ জন্মদিন) | | | | | | ১ বন্ধ দিন |
| ২ শ্ৰেণী দিন | ৩ শ্ৰেণী দিন | ৪ শ্ৰেণী দিন | ৫ শ্ৰেণী দিন আৰু উদ্‌যাপন দিন (সুধাকণ্ঠ দিৱস) | ৬ শ্ৰেণী দিন | ৭ শ্ৰেণী দিন | ৮ বন্ধ দিন |
| ৯ শ্ৰেণী দিন | ১০ শ্ৰেণী দিন | ১১ শ্ৰেণী দিন আৰু উদ্‌যাপন দিন (ৰাষ্ট্ৰীয় শিক্ষা দিৱস) | ১২ শ্ৰেণী দিন | ১৩ শ্ৰেণী দিন | ১৪ বন্ধ দিন আৰু উদ্‌যাপন দিন (কালী পূজা আৰু দেৱালী/শিশু দিৱস) | ১৫ বন্ধ দিন |
| ১৬ শ্ৰেণী দিন | ১৭ শ্ৰেণী দিন | ১৮ শ্ৰেণী দিন | ১৯ শ্ৰেণী দিন আৰু উদ্‌যাপন দিন (বিশ্ব অনাময় দিৱস) | ২০ বন্ধ দিন (ষট্ পূজা) | ২১ শ্ৰেণী দিন | ২২ বন্ধ দিন |
| ২৩ শ্ৰেণী দিন | ২৪ বন্ধ দিন (লাচিত দিৱস) | ২৫ শ্ৰেণী দিন | ২৬ শ্ৰেণী দিন আৰু উদ্‌যাপন দিন (সংবিধান দিৱস) | ২৭ শ্ৰেণী দিন | ২৮ শ্ৰেণী দিন | ২৯ বন্ধ দিন |

## নিম্ন প্ৰাথমিক শ্ৰেণী (প্ৰথমৰপৰা পঞ্চম)

### শ্ৰেণী অনুযায়ী পাঠ বিতৰণ

| বিষয় | প্ৰথম | দ্বিতীয় | তৃতীয় | চতুৰ্থ | পঞ্চম |
|---|---|---|---|---|---|
| ভাষা | জোনলৈ যাওঁ ব'লা | ঋতু আহে ঋতু যায় | ■ কামৰ সৰু-বৰ নাই<br>■ মৰমৰ আই | গছে যদি খোজ কাঢ়ে | সৰু ছোৱালী আৰু পখী |
| গণিত | ■ চানেকি<br>■ টকা-পইচা | সময় | ■ টকা আৰু পইচা<br>■ পুনৰালোচনা | ■ সময়<br>■ পুনৰালোচনা | ■ চানেকি চাওঁ আহা<br>■ জোখ-মাখৰ প্ৰয়োগ |
| ইংৰাজী | The Greedy Dog | Let's Celebrate | Recap | Recap | Recap |
| পৰিৱেশ অধ্যয়ন | —— | —— | ■ আমাৰ ৰাজ্যখন আৰু ইয়াৰ জিলাসমূহ<br>■ আজৰি সময়ৰ ব্যৱহাৰ | ■ আমাৰ ৰাজ্যখন<br>■ আমাৰ জিলাসমূহৰ কিছু কথা | ■ আমাৰ দেশ ভাৰতবৰ্ষ<br>■ আমাৰ চুবুৰীয়া ৰাজ্যসমূহ |



প্ৰথমৰপৰা পঞ্চম শ্ৰেণীলৈ নিম্নলিখিত ক্ৰিয়া-কলাপসমূহ শিক্ষকে ছাত্ৰ-ছাত্ৰীৰ স্তৰ অনুযায়ী মাহটোৰ পাঠৰ লগত সংগতি ৰাখি অনুশীলন কৰাব

### স্বাস্থ্য আৰু শাৰীৰিক শিক্ষা সম্বন্ধীয় ক্ৰিয়া-কলাপ

- ভৰিৰ আঙুলিৰ ওপৰত থিয় হৈ সমুখৰ ফালে খোজ কাঢ়িব।
- মাৰ্চ-পাষ্ট সম্পূৰ্ণভাবে শিকিবলৈ যত্ন কৰিব।
- খোৱাৰ আগত আৰু খোৱাৰ পাচত চাবোনেৰে হাত ধোৱাৰ ব্যৱস্থা কৰিব।

### কলা আৰু শিল্প শিক্ষা সম্বন্ধীয় ক্ৰিয়া-কলাপ

- মাটি বা থাৰ্মকলেৰে জিলাসমূহ ৰঙেৰে ভাগ কৰি অসম ৰাজ্যৰ ৰাজ্যসমূহ ভাগ কৰি ভাৰতবৰ্ষৰ মেপ প্ৰস্তুত কৰিব
- পাঠ্যপুথিৰ বিভিন্ন পদ্য আৰু কবিতা মুখস্থ কৰি সুৰ লগাই গাব আৰু আবৃত্তি কৰিব।



## উদ্‌যাপন দিৱস আৰু অন্যান্য কাৰ্যাৱলী

'বিদ্যাৰম্ভ উৎসৱ ' (এই আঁচনিৰ অৰ্ন্তগত কাৰ্যসূচী সমূহ নিৰ্দিষ্ট দিনত সম্পাদন কৰিবলৈ চৰকাৰী নিৰ্দেশনা অনুসৰণ কৰিব। সবিশেষ দিনপঞ্জীৰ আগফালে দিয়া আছে।)

**৫ নৱেম্বৰ ঃ** প্ৰাতঃসভাত ড° ভূপেন হাজৰিকাৰ প্ৰতিমূৰ্ত্তি/আলোকচিত্ৰত শ্ৰদ্ধাঞ্জলি প্ৰদান কৰিব। ভূপেন হাজৰিকাৰ জীৱন আৰু কৰ্ম সম্পৰ্কে আলোচনা, গীত-মাত চৰ্চা কৰিব।

**১১ নৱেম্বৰ ঃ** মৌলানা আবুল কালাম আজাদৰ জন্ম-দিন উপলক্ষে আলোকচিত্ৰত শ্ৰদ্ধাঞ্জলি যাচি তেওঁৰ জীৱন আৰু কৰ্মৰাজি সম্পৰ্কে আলোচনা কৰিব।

**১৪ নৱেম্বৰ ঃ** জৱাহৰলাল নেহৰুৰ জন্মদিন উপলক্ষে ছাত্ৰ-ছাত্ৰীসকলক তেওঁৰ জীৱন আৰু কৰ্মৰাজি সম্পৰ্কে আলোচনাত অংশগ্ৰহণ কৰিব দিব।

**১৯ নৱেম্বৰ ঃ** প্ৰাতঃসভাত দিনটোৰ তাৎপৰ্য আৰু অনাময় ব্যৱস্থাৰ প্ৰয়োজনীয়তা সম্পৰ্কে আলোচনা কৰিব।

**২৬ নৱেম্বৰ ঃ** ভাৰতৰ সংবিধানে নাগৰিকসকলৰ বাবে নিৰ্ধাৰণ কৰা মৌলিক কৰ্তব্যসমূহৰ ওপৰত আলোকপাত কৰিব যাতে ছাত্ৰ-ছাত্ৰীযে ভবিষ্যতে এই মৌলিক কৰ্তব্যসমূহ পালন কৰাৰ প্ৰতি সজাগ হয়।

| | |
|---|---|
| প্ৰকৃত শ্ৰেণী দিন ঃ | ২১ |
| ৰবিবাৰ ঃ | ৫ |
| আন বন্ধৰ দিন ঃ | ৪ |
| মাহটোৰ মুঠ দিন ঃ | ৩০ |

(মাহটোৰ উদ্‌যাপন দিনৰ সংখ্যা ঃ ৫)

- শিক্ষকে প্ৰতিটো শ্ৰেণীৰ প্ৰতিটো বিষয়ৰ 'আকাংক্ষিত শিকন ফলাফল' অনুসৰি পাঠদান প্ৰক্ৰিয়া পৰিচালনা কৰিব ।
- বিশেষভাৱে সক্ষম শিশুৰ ক্ষেত্ৰত শিক্ষকে পাঠসমুহ তেওঁলোকৰ অনুকূলে সজাই লৈ পাঠদান কৰিব।
- ঘৰ বা বিদ্যালয় পৰিষ্কাৰ-পৰিচ্ছন্ন কৰি ৰখাৰ লগতে চুবুৰী আৰু চৌপাশ পৰিষ্কাৰ কৰি ৰখাৰ দায়িত্ব আনৰ লগতে শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীয়েও পালন কৰিব।
- ৰাস্তাত খোজ কাঢ়োঁতে বা পাৰ হওঁতে নিজে সাৱধানহোৱাৰ লগতে শিশু, বৃদ্ধ আৰু বিশেষভাৱে সক্ষম ব্যক্তিক সহায় কৰাটো আমাৰ দায়িত্ব আৰু কৰ্তব্য।
- বিদ্যালয়ৰ স্বাস্থ্য বিধিসন্মত ব্যৱস্থাৱলীৰ তদাৰক কৰিবলৈ ছাত্ৰ সংসদৰ পৰা এজন বা ততোধিক ছাত্ৰ প্ৰতিনিধি নিযুক্ত কৰিব যাতে প্ৰতিখন বিদ্যালয়ৰ স্বচ্ছতা অটুত থাকে। এইক্ষেত্ৰত ছাত্ৰ প্ৰতিনিধিৰ দায়িত্ব সময়ে সময়ে সলনি কৰিব।



## উচ্চ প্ৰাথমিক শ্ৰেণী (ষষ্ঠৰপৰা অষ্টম)

### শ্ৰেণী অনুযায়ী পাঠ বিতৰণ

| বিষয় | ষষ্ঠ | সপ্তম | অষ্টম |
|---|---|---|---|
| ভাষা | ■ স্কাউট আৰু গাইড<br>■ মহোহো গীত | ■ বিদ্যা<br>■ গড়গাঁও | ■ সংস্কৃতি আৰু আমাৰ জীৱন<br>■ শিশু লীলা |
| গণিত | ■ অনুপাত আৰু সমানুপাত<br>■ ব্যৱহাৰিক জ্যামিতি | ■ সমমিতি<br>■ গোটা আকৃতিক দৃশ্যায়ন | ■ লেখৰ সৈতে পৰিচয<br>■ সংখ্যাৰ সৈতে ধেমালি |
| ইংৰাজী | I love my Country | Women in space | Chandraprabha Saikiani |
| বিজ্ঞান | ■ পানী<br>■ আমাৰ চাৰিও ফালে থকা বায়ু<br>■ আৱৰ্জনা সৃষ্টি আৰু আৱৰ্জনা নিষ্কাষণ | ■ পানী- এক অমূল্য সম্পদ<br>■ অৰণ্য- আমাৰ জীৱন ৰেখা<br>■ বৰ্জিত পানীৰ কথা | ■ পোহৰ<br>■ তৰা আৰু সৌৰজগত<br>■ বায়ু আৰু পানী প্ৰদূষণ |
| সমাজ বিজ্ঞান | ■ মৌৰ্য সাম্ৰাজ্য, মহামতি অশোক আৰু কৌটিল্যৰ অৰ্থশাস্ত্ৰ (ই)<br>■ কৃষি উদ্যোগ আৰু সেৱা খণ্ডত প্ৰযুক্তিৰ প্ৰভাৱ (অ.বি.)<br>■ স্থানীয় স্বায়ত্ব শাসন ব্যৱস্থা (ৰা.বি.) | ■ ভাৰতবৰ্ষৰ সাংস্কৃতিক দিশত মোগলসকলৰ অৱদান<br>■ ভাৰতৰ জলবায়ু প্ৰাকৃতিক উদ্ভিদ কৃষি আৰু জনসংখ্যা (ভূ)<br>■ শ্ৰমৰ সমমৰ্যাদা আৰু সমমূল্য (অ.বি.) | পুনৰ আলোচনা |
| হিন্দী | ■ होली आई रे<br>■ खेल और सेहत | ■ तुम कब जाओगे, अतिथि<br>■ अमृत वाणी | ■ मेरा नया बचपन<br>■ मैं हूँ महाबाहु ब्रह्मपुत्र |

ষষ্ঠৰপৰা অষ্টম শ্ৰেণীলৈ নিম্নলিখিত ক্ৰিয়া-কলাপসমূহ শিক্ষকে ছাত্ৰ-ছাত্ৰীৰ স্তৰ অনুযায়ী মাহটোৰ পাঠৰ লগত সংগতি ৰাখি অনুশীলন কৰাব

### কৰ্ম শিক্ষা সম্বন্ধীয় ক্ৰিয়া-কলাপ

- শিল, বালি আৰু কয়লাৰে ঘৰুৱাভাবে পানী বিশুদ্ধকৰণ কৰাৰ পদ্ধতি শিকিব।
- পেলনীয়া বস্তুৰ সহায়ত বিভিন্ন লাগতিয়াল সামগ্ৰী প্ৰস্তুত কৰিব।

### স্বাস্থ্য আৰু শাৰীৰিক শিক্ষা সম্বন্ধীয় ক্ৰিয়া-কলাপ

- সহজ ব্যায়াম, যেনে- হাতদুখন সমুখলৈ, কাষলৈ, ওপৰলৈ নি কেবাবাৰো অনুশীলন কৰিব।
- এখন ভৰিত ভৰ দি থিয় হৈ হাতদুখন কাষলৈ মেলি দিব আৰু ভাৰসাম্য ৰক্ষা কৰিব।
- মাটিত বহি ভৰিদুখন মেলি মূৰটো মাটিত লগাবলৈ চেষ্টা কৰিব।
- খোৱাৰ আগত আৰু খোৱাৰ পাচত চাবোনেৰে হাত ধোৱাৰ ব্যৱস্থা কৰিব।

### কলা শিক্ষা সম্বন্ধীয় ক্ৰিয়া-কলাপ

পাঠ্যপুথিৰ বিভিন্ন পদ্য/কবিতা আদি মুখস্থ কৰি সুৰ লগাই গাব আৰু আবৃত্তি কৰিব।






- ২০২০ শিক্ষা বৰ্ষৰ পৰা সপ্তম শ্ৰেণীৰ ভাষা আৰু ষষ্ঠৰপৰা অষ্টম শ্ৰেণীলৈ গণিত আৰু ইংৰাজী বিষয়ৰ নতুন পাঠ্যপুথি প্ৰচলন হ'ব।
- যদিও শৈক্ষিক দিনপঞ্জীত মাহ অনুযায়ী পাঠ বিতৰণ কৰি দিয়া হৈছে, প্ৰতিটো গোট মূল্যায়নৰ আগতে বিষয় অনুযায়ী নিৰ্ধাৰিত পাঠসমূহ শিক্ষকে নিজৰ নিজৰ সুবিধা অনুসৰি সমাপ্ত কৰিব লাগিব।
- নৱেম্বৰ মাহত প্ৰকৃততে সম্পাদন হোৱা শ্ৰেণী দিনৰ সংখ্যা ☐ বাকচত উল্লেখ কৰিব। যদিহে এই সংখ্যা উল্লিখিত দিনতকৈ কম হয় তেনেহ'লে শিক্ষকে নিজৰ সুবিধা অনুযায়ী শ্ৰেণীদিন সম্পূৰ্ণ কৰিব লাগিব।

# ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম

কাহিলিপাৰা, গুৱাহাটী-৭৮১০১৯

## মাহভিত্তিক শৈক্ষিক দিনপঞ্জী

## ডিচেম্বৰ ২০২০

| সোম | মঙ্গল | বুধ | বৃহস্পতি | শুক্ৰ | শনি | ৰবি |
|---|---|---|---|---|---|---|
| | ১ শ্ৰেণী দিন আৰু উদ্‌যাপন দিন (বিশ্ব এইড্‌ছ দিৱস) | ২ বন্ধ দিন (অসম দিৱস)) | ৩ শ্ৰেণী দিন আৰু উদ্‌যাপন দিন (বিশ্ব প্ৰতিবন্ধী দিৱস) | ৪ শ্ৰেণী দিন | ৫ শ্ৰেণী দিন | ৬ বন্ধ দিন |
| ৭ শ্ৰেণী দিন | ৮ শ্ৰেণী দিন | ৯ শ্ৰেণী দিন | ১০ শ্ৰেণী দিন | ১১ শ্ৰেণী দিন | ১২ শ্ৰেণী দিন | ১৩ বন্ধ দিন |
| ১৪ শ্ৰেণী দিন | ১৫ শ্ৰেণী দিন | ১৬ শ্ৰেণী দিন | ১৭ বাৰ্ষিক অগ্ৰগতিৰ খতিয়ান প্ৰস্তুতিৰ দিন | ১৮ বাৰ্ষিক অগ্ৰগতিৰ খতিয়ান প্ৰস্তুতিৰ দিন | ১৯ বাৰ্ষিক অগ্ৰগতিৰ খতিয়ান প্ৰস্তুতিৰ দিন | ২০ বন্ধ দিন |
| ২১ বাৰ্ষিক অগ্ৰগতিৰ খতিয়ান প্ৰস্তুতিৰ দিন | ২২ বাৰ্ষিক অগ্ৰগতিৰ খতিয়ান প্ৰস্তুতিৰ দিন | ২৩ বাৰ্ষিক অগ্ৰগতিৰ খতিয়ান প্ৰস্তুতিৰ দিন | ২৪ বাৰ্ষিক অগ্ৰগতিৰ খতিয়ান প্ৰস্তুতিৰ দিন | ২৫ বন্ধ দিন (বৰদিন) | ২৬ বাৰ্ষিক অগ্ৰগতিৰ খতিয়ান প্ৰস্তুতিৰ দিন | ২৭ বন্ধ দিন |
| ২৮ ফলাফল ঘোষণাৰ দিন | ২৯ আগন্তুক বৰ্ষৰ শৈক্ষিক পৰিকল্পনাৰ দিন | ৩০ আগন্তুক বৰ্ষৰ শৈক্ষিক পৰিকল্পনাৰ দিন | ৩১ আগন্তুক বৰ্ষৰ শৈক্ষিক পৰিকল্পনাৰ দিন | | | |

## নিম্ন প্ৰাথমিক শ্ৰেণী (প্ৰথমৰপৰা পঞ্চম)

### শ্ৰেণী অনুযায়ী পাঠ বিতৰণ

| বিষয় | প্ৰথম | দ্বিতীয় | তৃতীয় | চতুৰ্থ | পঞ্চম |
|---|---|---|---|---|---|
| ভাষা | পুনৰ আলোচনা | পুনৰ আলোচনা | পুনৰ আলোচনা | পুনৰ আলোচনা | পুনৰ আলোচনা |
| গণিত | পুনৰ আলোচনা | পুনৰ আলোচনা | পুনৰ আলোচনা | পুনৰ আলোচনা | পুনৰ আলোচনা |
| ইংৰাজী | Revision and Practising Activities for Integrating all the Four Skills (Listening, Speaking, Reading, Writing) | Revision and Practising Activities for Integrating all the Four Skills (Listening, Speaking, Reading, Writing) | Revision and Practising Activities for Integrating all the Four Skills (Listening, Speaking, Reading, Writing) | Revision and Practising Activities for Integrating all the Four Skills (Listening, Speaking, Reading, Writing) | Revision and Practising Activities for Integrating all the Four Skills (Listening, Speaking, Reading, Writing) |
| পৰিৱেশ অধ্যয়ন | —— | —— | পুনৰ আলোচনা | পুনৰ আলোচনা | পুনৰ আলোচনা |

### মূল্যায়ন ব্যৱস্থাৰ নিৰ্দেশনাৱলী

চৰকাৰী জাননী নং AEE.499/2010/14-A dated 29/04/2011 ৰ জৰিয়তে তলত উল্লেখ কৰা মতে বছৰটোত প্ৰতিটো বিষয়ৰ বাবে চাৰিটা গোট মূল্যায়ন কৰি যাব। তাৰবাবে প্ৰতিটো পাঠ শেষ হোৱাৰ পিছত পাঠত থকা ধাৰণা/ অৰ্হতাসমূহ মূল্যায়ন কৰি যাব। পিছত নিৰ্দিষ্ট মাহকেইটাত শিক্ষণ-শিকন শেষ হোৱা পাঠসমূহৰ ওপৰত গোটভিত্তিক মূল্যায়ন কৰিব আৰু নথিত লিপিবদ্ধ কৰি ৰাখিব। বিশেষ প্ৰয়োজন সম্পন্ন শিশুৰ (Children with Speacial Needs) মূল্যায়নৰ ক্ষেত্ৰত ল'বলগীয়া কিছুমান নিৰ্দেশনা তলত উল্লেখ কৰা হ'ল।

১) প্ৰয়োজন অনুসৰি এইসকল ছাত্ৰ-ছাত্ৰীক অতিৰিক্ত সময় দিব। অৱসাদ দূৰ কৰাৰ বাবে এই সময়খিনিৰ ভিতৰতে জিৰণিৰ অনুমতি দিব।

২) ছাত্ৰ-ছাত্ৰীৰ ব্যক্তিগত প্ৰয়োজন অনুসৰি বিভিন্ন সজুঁলি ব্যৱহাৰ কৰিবলৈ দিব, উদাহৰণস্বৰূপে— কেলকুলেটৰ, এবেকাচ, টেইলৰ ফ্ৰেইমৰ যোগাযোগ ব'ৰ্ড, হেলনীয়া ব'ৰ্ড, টেপ ৰেকৰ্ডাৰ, পেইন গ্ৰিপচ্ অৰ্থাৎ কলম ধৰা সঁজুলি ইত্যাদি।

৩) শ্ৰৱণ বাধাগ্ৰস্ত ছাত্ৰ-ছাত্ৰীৰ ক্ষেত্ৰত ভাষা আহৰণৰ অসুবিধা থকাৰ বাবে মূল্যায়নৰ পদ্ধতি ৰচনাভিত্তিক হোৱাৰ পৰিৱৰ্তে বস্তুনিষ্ঠ হোৱা উচিত। প্ৰশ্নসমূহৰ ভাষা সহজ-সৰল হোৱাটো নিতান্তই প্ৰয়োজনীয়।

৪) দৃষ্টি শক্তিৰ অসুবিধা থকাসকলৰ বাবে প্ৰশ্নকাকতসমূহ প্ৰয়োজন অনুসৰি ব্ৰেইল/ ডাঙৰ ছপা আখৰৰ হ'ব লাগে।

৫) যিমানদূৰ সম্ভৱ যতি চিহ্ন, বানান আৰু ব্যাকৰণৰ ভুলৰ বাবে নম্বৰ কমকৈ দিয়াৰ পৰা বিৰত থাকিব লাগে।

৬) পৰীক্ষাৰ সময়ত দিয়া মৌখিক নিৰ্দেশনাসমূহ ব'ৰ্ডত লিখি দিব।

৭) প্ৰয়োজন হ'লে এজন লিপিকাৰক নিয়োগৰ ব্যৱস্থা কৰিব।

৮) মগজুৰ পক্ষাঘাত থকা শিশুসকলে লিখাৰ সময়ত যথেষ্ট হেঁচি লিখে। সেয়েহে তেনে শিশুসকলক ব্যৱহাৰ কৰিবলৈ দিয়া উত্তৰবহী/কাগজ যথেষ্ট ডাঠ হোৱা উচিত।

৯) মানসিক বাধাগ্ৰস্ত শিশুৰ মূল্যায়নৰ বাবে প্ৰস্তুত কৰা প্ৰশ্নসমূহৰ জটিলতা শিশুৰ বোধগম্যতাৰ ওপৰত ভিত্তি কৰিহে নিৰ্ণয় কৰিব লাগে।

## উদ্‌যাপন দিৱস আৰু অন্যান্য কাৰ্যাৱলী

**৭-১৬ ডিচেম্বৰঃ** চতুৰ্থ গোট মূল্যায়নৰ দিন নিৰ্ধাৰণ কৰিব। তাৰ পাচৰ সপ্তাহটোত ছাত্ৰ-ছাত্ৰীৰ মূল্যায়নৰ খতিয়ান অভিভাৱকৰ লগত আলোচনা কৰিব।

• চতুৰ্থ গোট মূল্যায়নৰ প্ৰশ্নকাকতসমূহ ৩০ নৱেম্বৰ তাৰিখৰ ভিতৰত প্ৰধান শিক্ষকৰ ওচৰত জমা দিব লাগিব।

**১ ডিচেম্বৰঃ** এইড্‌ছ ৰোগৰ ভয়াবহতা আৰু ইয়াৰ প্ৰতিৰোধ সম্পৰ্কে ছাত্ৰ-ছাত্ৰীসকলক অৱগত কৰাব।

**৩ ডিচেম্বৰঃ** প্ৰাতঃসভাত বিশ্ব প্ৰতিবন্ধী দিৱসৰ তাৎপৰ্য সম্পৰ্কে ছাত্ৰ-ছাত্ৰীসকলক অৱগত কৰাব। প্ৰতিবন্ধী শিশুৰ সফল কাহিনী সংগ্ৰহ কৰি পাঠ কৰিবলৈ দিব। অন্যধৰণে সক্ষম ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতি সহমৰ্মী হোৱাৰ প্ৰতি সকলোকে আহ্বান কৰিব।

**১৭-২৬ ডিচেম্বৰঃ** বাৰ্ষিক অগ্ৰগতিৰ খতিয়ান প্ৰস্তুত।

**২৮ ডিচেম্বৰঃ** ফলাফল ঘোষণা।

**২৯-৩১ ডিচেম্বৰঃ** আগন্তুক বৰ্ষৰ বাবে শৈক্ষিক পৰিকল্পনা প্ৰস্তুত।

| | |
|---|---|
| প্ৰকৃত শ্ৰেণী দিনঃ | ১৩ |
| খতিয়ান প্ৰস্তুতিৰ দিনঃ | ৮ |
| পৰিকল্পনাৰ দিনঃ | ৩ |
| ফলাফল ঘোষণাৰ দিনঃ | ১ |
| দেওবাৰঃ | ৪ |
| আন বন্ধৰ দিনঃ | ২ |
| মাহটোৰ মুঠ দিনঃ | ৩১ |

(মাহটোৰ উদ্‌যাপন দিনৰ সংখ্যা ঃ ২)







## উচ্চ প্ৰাথমিক শ্ৰেণী (ষষ্ঠৰপৰা অষ্টম)

### শ্ৰেণী অনুযায়ী পাঠ বিতৰণ

| বিষয় | ষষ্ঠ | সপ্তম | অষ্টম |
|---|---|---|---|
| ভাষা | পুনৰ আলোচনা | পুনৰ আলোচনা | পুনৰ আলোচনা |
| গণিত | পুনৰ আলোচনা | পুনৰ আলোচনা | পুনৰ আলোচনা |
| ইংৰাজী | পুনৰ আলোচনা | পুনৰ আলোচনা | পুনৰ আলোচনা |
| বিজ্ঞান | পুনৰ আলোচনা | পুনৰ আলোচনা | পুনৰ আলোচনা |
| সমাজ বিজ্ঞান | পুনৰ আলোচনা | পুনৰ আলোচনা | পুনৰ আলোচনা |
| হিন্দী | পুনৰ আলোচনা | পুনৰ আলোচনা | পুনৰ আলোচনা |

### মূল্যায়নত মান (গ্ৰেড) ব্যৱহাৰ

যদিও অবিৰত আৰু সামগ্ৰিক মূল্যায়ন ব্যৱস্থাত নম্বৰ/গ্ৰেডৰ ওপৰত অধিক গুৰুত্ব দিয়া উচিত নহয়, তথাপিও আমাৰ ৰাজ্যত মূল্যায়ন পদ্ধতিৰ সম্পূৰ্ণ পৰিৱৰ্তন নোহোৱালৈকে শিক্ষকৰ সুবিধাৰ্থে সামান্য পৰিৱৰ্তন কৰি আগৰ বছৰৰ দৰে এইবছৰো গ্ৰেড দিয়াৰ ব্যৱস্থা কৰা হৈছে। প্ৰাথমিক পৰ্যায়ত তলত দিয়া ধৰণে গ্ৰেড ব্যৱহাৰ কৰিব।

**(ক) বিদ্যায়তনিক দিশৰ বাবে**

গ্ৰেড A+ ঃ (৯১-১০০) %　　গ্ৰেড C+ঃ (৫১-৬০) %
গ্ৰেড A ঃ (৮১-৯০) %　　গ্ৰেড C ঃ (৪১-৫০) %
গ্ৰেড B+ ঃ (৭১-৮০) %　　গ্ৰেড D ঃ (৪০% আৰু ৪০% ৰ তলত)
গ্ৰেড B ঃ (৬১-৭০) %

গ্ৰেড নিৰ্ণয় ঃ $\frac{\text{বিষয়ভিত্তিক পোৱা মুঠ নম্বৰ}}{\text{বিষয়ভিত্তিক সৰ্বমুঠ নম্বৰ}} \times ১০০$

**উদাহৰণ ঃ কোনো ছাত্ৰ/ছাত্ৰীয়ে পোৱা মুঠ নম্বৰ**

| বিষয় | মুঠ নম্বৰ | প্ৰাপ্ত নম্বৰ |
|---|---|---|
| ভাষা | ৫০ | ৪৫ |
| গণিত | ৫০ | ৫০ |
| ইংৰাজী | ৫০ | ৪০ |
| পৰিৱেশ অধ্যয়ন | ৫০ | ৪০ |
| শাৰীৰিক শিক্ষা | ৫০ | ৪০ |
| কলা শিক্ষা | ৫০ | ৪০ |
| সৰ্বমুঠ | ৩০০ | ২৫৫ |

গ্ৰেড নিৰ্ধাৰণ ঃ $\frac{২৫৫}{৩০০} \times ১০০ = ৮৫\%$

গ্ৰেড ঃ A

**(খ) ব্যক্তিগত-সামাজিক গুণৰাজি**

শিক্ষকে এই সম্পৰ্কে গঠনাত্মক মন্তব্য দিয়া উচিত। যদি ছাত্ৰ/ছাত্ৰীগৰাকী কোনো দিশত দুৰ্বল আৰু তেওঁৰ অধিক বিকাশৰ প্ৰয়োজন আছে, তেন্তে 'তেওঁ এই দিশত পিছপৰা' বুলি কোৱাতকৈ 'এই দিশত অধিক যত্নৰ প্ৰয়োজন আছে' বুলি উল্লেখ কৰা উচিত।

এটা নিৰ্দিষ্ট বিষয়ৰ বাবে মূল্যায়নৰ পৰ্যায় চাৰি ধৰণৰ হ'ব পাৰে—

পৰ্যায় ১ ঃ কৰিবলৈ দিয়া কাৰ্য/ক্ৰিয়া-কলাপ আকাঙ্খিত পৰ্যায়ত সমাধা কৰাৰ বাবে সহায়ৰ আৱশ্যক আছে।

পৰ্যায় ২ ঃ কৰিবলৈ দিয়া কাৰ্য/ক্ৰিয়া-কলাপৰ ধাৰণা আছে যদিও সম্পাদন কৰাত অসুবিধা পায়।

পৰ্যায় ৩ ঃ কৰিবলৈ দিয়া কাৰ্য নিজাববীয়াকৈ সম্পাদন কৰিব পাৰে।

পৰ্যায় ৪ ঃ কৰিবলৈ দিয়া কাৰ্য/ক্ৰিয়া-কলাপতকৈও জটিল কাৰ্য সম্পাদন কৰিব পাৰে।

উল্লিখিত পৰ্যায়সমূহ শিক্ষকে তলত দিয়া চিহ্নৰ দ্বাৰা উপস্থাপন কৰিব পাৰে।

পৰ্যায় ১ ঃ △　　পৰ্যায় ২ঃ ∀　　পৰ্যায় ৩ঃ ✱　　পৰ্যায় ৪ ঃ □

- ২০২০ শিক্ষা বৰ্ষৰপৰা সপ্তম শ্ৰেণীৰ ভাষা আৰু ষষ্ঠৰপৰা অষ্টম শ্ৰেণীলৈ গণিত আৰু ইংৰাজী বিষয়ৰ নতুন পাঠ্যপুথি প্ৰচলন হ'ব।
- যদিও শৈক্ষিক দিনপঞ্জীত মাহ অনুযায়ী পাঠ বিতৰণ কৰি দিয়া হৈছে, প্ৰতিটো গোট মূল্যায়নৰ আগতে বিষয় অনুযায়ী নিৰ্ধাৰিত পাঠসমূহ শিক্ষকে নিজৰ নিজৰ সুবিধা অনুসৰি সমাপ্ত কৰিব লাগিব।
- ডিচেম্বৰ মাহত প্ৰকৃততে সম্পাদন হোৱা শ্ৰেণী দিনৰ সংখ্যা ☐ বাকচত উল্লেখ কৰিব। যদিহে এই সংখ্যা উল্লিখিত দিনতকৈ কম হয় তেনেহ'লে শিক্ষকে নিজৰ সুবিধা অনুযায়ী শ্ৰেণীদিন সম্পূৰ্ণ কৰিব লাগিব।